**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৮৩/২০১৯**

# মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিলে চাহ জনজাতিৰ অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীৰ প্ৰাক্ প্ৰশিক্ষণ কাৰ্যসূচীৰ

## সফলতাৰ বাবে কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ ডিচেম্বৰ ঃ** 'মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে সংগ্ৰামৰ দ্বাৰাহে কৃতকাৰ্যতা লাভ কৰিব পাৰি আৰু জীৱনত সফল হ'ব লাগিলে কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই।' আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ২০১৯-২০ বৰ্ষৰ চাহ জনজাতি সম্প্ৰদায়ৰ অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ প্ৰাক্ পৰীক্ষা প্ৰশিক্ষণ কাৰ্যসূচী শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ দ্বাৰা এই প্ৰশিক্ষণ ক্ৰমাগতভাবে তৃতীয় বৰ্ষৰ বাবে অনুষ্ঠিত কৰা হৈছে আৰু এই প্ৰশিক্ষণৰ কাৰ্যসূচী ৬ মাহৰ হ'ব। ২১০ গৰাকী আবেদনকাৰীৰ ভিতৰত ৫০ গৰাকী প্ৰাৰ্থীক এই প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত কৰা হৈছে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আজিৰ যুগটো হ'ল তীব্ৰ প্ৰতিযোগিতাৰ যুগ। সেয়েহে এই প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব লাগিলে কঠোৰ পৰিশ্ৰম, অধ্যাৱসায় আৰু একাণপতীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। চাহ জনজাতি হ'ল এক পৰিশ্ৰমী সম্প্ৰদায়, সেয়েহে এই প্ৰতিযোগিতাৰ যুগত এই জনগোষ্ঠীটোৱে আগবাঢ়ি যোৱাৰ পূৰ্ণ সম্ভাৱনীয়তা আছে। এই প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ যোগ্যতা অনুযায়ী উৎকৃষ্ট ফলাফল লাভ কৰিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। বৰ্তমান সময় চাহ জনগোষ্ঠী সকলৰ বাবে গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোকে পূৰ্বতে সন্মুখীন হোৱা অৱজ্ঞাৰ যোগ্য প্ৰত্যুত্তৰ দিয়াৰ বাবে শৈক্ষিক দিশত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হোৱা ছাত্ৰ-ছাত্ৰীসকলে কৃতকাৰ্য হৈ তেওঁলোকৰ জনগোষ্ঠীৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা যোগাবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে জীৱনত সফলতা আৰু সুখী হোৱাৰ বাবে সুস্বাস্থ্য আৰু ইতিবাচক দৃষ্টিভংগী সদায়ে অটুট ৰখাৰ দিশত গুৰুত্ব প্ৰদান কৰিবলৈও প্ৰশিক্ষণৰ প্ৰাৰ্থীসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক ছ'চিয়েল মিডিয়াৰ ইতিবাচক দিশ সমূহ প্ৰয়োগ কৰি অলাগতিয়াল কাম-কাজত সময় অতিবাহিত নকৰাৰ বাবেও কয়।

আজিৰ এই অনুষ্ঠানত বিধায়ক তেৰচ গোৱালা, চাহ জনজাতি কল্যাণ বিভাগৰ প্ৰধান সচিব ড° জে বি এক্কাইও ভাষণ প্ৰদান কৰে। চাহ জনজাতি কল্যাণ বিভাগৰ সঞ্চালক পলাশ ৰঞ্জন ঘৰফলীয়াই আদৰিণ ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিধায়ক ঋতুপৰ্ণ বৰুৱা, চক্ৰধৰ গগৈ, অসম চৰকাৰৰ বেচা-কিনা নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ ভদ্ৰৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ / পুঃডেঃ**
**৯/১২/২০১৯**